**1 SEM TDC FACC 3 (G/S) (N/O)**

**2016**

( November )

COMMERCE

( General / Speciality )

Course : 103

**( Financial Accounting )**

*The figures in the margin indicate full marks for the questions*

( New Course )

*Full Marks* : 80

*Pass Marks* : 24

*Time* : 3 hours

**1.** *(a)* Fill in the blanks : 1×4=4

খালী ঠাই পূৰণ কৰা :

*(i)* Accounting Standard _____ deals with Depreciation Accounting.

হিচাপ-বিদ্যাৰ _____ নং মান অনুযায়ী অৱক্ষয় হিচাপ কৰা হয়।

(ii) The total amount to be paid by the buyer under hire-purchase system is called _____ price.

ভাড়া-ক্রয় পদ্ধতিত ক্রেতাই পৰিশোধ কৰিব লগা মুঠ ধনৰ পৰিমাণক _____ মূল্য বুলি কোৱা হয়।

(iii) Under Stock and Debtors System, Branch Stock Account is a _____ Account.

মজুত সম্ভাৰ আৰু দেনাদাৰ পদ্ধতিত শাখাৰ মজুত সম্ভাৰৰ হিচাপ হৈছে এক _____ হিচাপ।

(iv) Royalty paid on sales is debited to _____ Account.

স্বত্বকৰ বিক্ৰীৰ ওপৰত পৰিশোধ কৰিলে _____ হিচাপত ডেবিট কৰা হয়।

(b) Write 'True' or 'False' : 1×4=4

'সঁচা' নে 'মিছা' লিখা :

(i) Loss of stock by fire is shown on the credit side of Profit and Loss Account.

জুইত পুৰি নষ্ট হোৱা সম্ভাৰৰ মূল্য লাভ-লোকচান হিচাপৰ ক্ৰেডিট ফালে দেখুওৱা হয়।





(ii) Cost of goods sold on hire-purchase is transferred to Hire-Purchase Trading Account.

ভাড়া-ক্রয়ৰ ক্ষেত্রত পণ্য-বস্তু বিক্রী ব্যয় প্রেৰণ কৰা হিচাপটো হৈছে ভাড়া-ক্রয় কিনা-বেচাৰ হিচাপ।

(iii) In Departmental Accounts, each department is considered as a separate profit centre.

বিভাগীয় হিচাপত প্রতিটো বিভাগকে একোটা পৃথক লাভ কেন্দ্র হিচাপে বিবেচনা কৰা হয়।

(iv) Royalty Account is a Real Account.

স্বত্বকৰৰ হিচাপ হৈছে এক সম্পত্তি সম্পৰ্কীয় হিচাপ।

2. Write short notes on (any *four*) : 4×4=16

চমু টোকা লিখা (যি কোনো চাৰিটা) :

(a) IFR Standards

IFR মানসমূহ

(b) Instalment Purchase System

কিস্তি-ক্রয় পদ্ধতি

(c) Independent Branch

স্বতন্ত্র শাখা

(d) Inter-departmental Transactions

আন্তঃবিভাগীয় লেনদেনসমূহ

(e) Recoupment of Shortworkings

হ্রস্ব-উৎপাদন আদায়করণ

3. (a) What are Accounting Standards? What procedure is adopted for formulating Accounting Standards? Discuss the objectives of such standards. 3+5+6=14

হিচাপ-বিদ্যাৰ মানকসমূহ কি কি? এই মানকসমূহ নিৰূপণ কৰোঁতে কেনে পদ্ধতি গ্ৰহণ কৰা হয়? এনে মানকসমূহৰ উদ্দেশ্যসমূহ আলোচনা কৰা।

*Or / অথবা*

(b) Rinku and Tinku share profits and losses equally. From the following Trial Balance of their business as on 31st March, 2016, prepare Trading, Profit & Loss Account for the year ended 31st March, 2016 and a Balance Sheet as on that date : 4+5+5=14

ৰিংকু আৰু টিংকু লাভ-লোকচান সমানে ভাগ কৰি লয়। 2016 চনৰ 31 মাৰ্চত প্ৰস্তুত কৰা তেওঁলোকৰ ব্যৱসায়ৰ মিলন-বিবৃতিৰ পৰা কিনা-বেচা, লাভ-





লোকচানৰ হিচাপ প্ৰস্তুত কৰি 2016 চনৰ 31 মাৰ্চ তাৰিখত উদ্বৃত্ত-পত্ৰ প্ৰস্তুত কৰা :

| | (Dr.) গ্ৰহণ ₹ (টকা) | (Cr.) প্ৰদান ₹ (টকা) |
|---|---|---|
| Capital / মূলধন : | | |
| Rinku / ৰিংকু | | 15,000 |
| Tinku / টিংকু | | 15,000 |
| Current Account / চলিত হিচাপ : | | |
| Rinku / ৰিংকু | 12,000 | |
| Tinku / টিংকু | 6,000 | |
| Land and Buildings (at cost) / মাটি আৰু ঘৰ (ক্ৰয় মূল্যত) | 60,000 | |
| Machinery (at cost) / যন্ত্ৰপাতি (ক্ৰয় মূল্যত) | 45,000 | |
| Purchases (adjusted) / ক্ৰয় (সংযোজিত) | 5,00,000 | |
| Sales Return / বিক্ৰী ফিৰৎ | 10,000 | |
| Salaries / দৰ্মহা | 60,000 | |
| Wages / মজুৰি | 72,000 | |
| Rent and Taxes / ভাড়া আৰু কৰ | 28,000 | |
| Furniture / আচবাব | 25,000 | |
| Cash at Bank / বেংকত জমা | 15,000 | |
| Accumulated Depreciation / সঞ্চিত অৱক্ষয় | | 12,000 |
| Debtors / দেনাদাৰ | 3,44,000 | |
| Creditors / পাওনাদাৰ | | 4,00,000 |
| Sales / বিক্ৰী | | 8,00,000 |
| Closing Stock / সামৰণি সম্ভাৰ | 65,000 | |
| | 12,42,000 | 12,42,000 |

*Adjustment* / *সময়োজনা* :

Accumulated depreciation includes Land and Buildings ₹ 5,000, Machinery ₹ 6,000 and Furniture ₹ 1,000

সঞ্চিত অৱক্ষয়ৰ ভিতৰত মাটি আৰু ঘৰৰ বাবে 5,000 টকা, যন্ত্ৰপাতিৰ বাবে 6,000 টকা আৰু আচবাবৰ বাবে 1,000 টকা অন্তৰ্ভুক্ত

**4.** *(a)* A motorcar was purchased on 1st April, 2012 under hire-purchase system. The payments to be made ₹ 20,000 down and the balance including interest @ 5% p.a. as follows :

এখন মটৰ গাড়ী ভাড়া-ক্ৰয় পদ্ধতিত 2012 চনৰ 1 এপ্ৰিলৰ দিনা কিনা হৈছিল। চৰ্ত এনেধৰণৰ আছিল যে চুক্তিৰ লগে লগে 20,000 টকা দিব লাগিব আৰু বাকী টকা বছৰি 5% সুতৰ সৈতে তলত দিয়া ধৰণে পৰিশোধ কৰিব লাগিব :

| | ₹ (টকা) |
|---|---|
| On 31st March, 2013<br>2013 চনৰ 31 মাৰ্চত | 60,000 |
| On 31st March, 2014<br>2014 চনৰ 31 মাৰ্চত | 77,500 |
| On 31st March, 2015<br>2015 চনৰ 31 মাৰ্চত | 84,000 |





The buyer depreciated the motorcar @ 15% p.a. under Diminishing Balance Method.

ক্ৰেতাই মটৰ গাড়ীখন বছৰি 15% হাৰত ক্ৰম-হ্ৰাসমান স্থিতি পদ্ধতিত অৱক্ষয় ধাৰ্য কৰিছিল।

Ascertain the cash price of the motorcar and prepare Motorcar Account and Hire Vendor's Account in the books of hire purchaser. 4+5+5=14

মটৰ গাড়ীখনৰ নগদ মূল্য নিৰ্দ্ধাৰণ কৰা আৰু ভাড়া-ক্ৰয় ক্ৰেতাৰ বহীত মটৰ গাড়ীৰ হিচাপ আৰু ভাড়া-ক্ৰয়ৰ বিক্ৰেতাৰ হিচাপ প্ৰস্তুত কৰা।

*Or* / *অথবা*

*(b)* What is Hire-purchase System? Distinguish between Hire-purchase Sale and Ordinary Credit Sale. Mention three rights of each of Hire Seller and Hire Purchaser as laid down in the Hire-purchase Act, 1972. 3+5+3+3=14

ভাড়া-ক্ৰয় পদ্ধতি কি? ভাড়া-ক্ৰয় পদ্ধতিৰ বিক্ৰী আৰু সাধাৰণ বাকী বিক্ৰীৰ মাজত থকা পাৰ্থক্যবোৰ উল্লেখ কৰা। ভাড়া-ক্ৰয় আইন, 1972-ত সন্নিৱিষ্ট থকা ভাড়া-ক্ৰয় ক্ৰেতা আৰু বিক্ৰেতাৰ প্ৰত্যেকৰে তিনিটাকৈ অধিকাৰ উল্লেখ কৰা।

5. (a) From the following particulars, prepare Departmental Trading and Profit & Loss Account in columnar form for the two departments and thereafter the Combined Income Account of Dutta Brothers' for the year ended 31st March, 2016 : 4+6+4=14

তলত দিয়া বিৱৰণৰ পৰা দত্ত ব্ৰাদাৰ্চৰ দুটা বিভাগৰ বাবে স্তম্ভকাৰ আৰ্হিৰ 2016 চনৰ 31 মাৰ্চত শেষ হোৱা বছৰৰ কাৰণে বিভাগীয় ক্ৰয়-বিক্ৰয়, লাভ-লোকচান আৰু গোটেই প্ৰতিষ্ঠানৰ আয়ৰ হিচাপ প্ৰস্তুত কৰা :

| | *Department–X* বিভাগ–X ₹ (টকা) | *Department–Y* বিভাগ–Y ₹ (টকা) |
|---|---|---|
| Stock 01.04.2015 সম্ভাৰ 01.04.2015 | 30,000 | 5,000 |
| Purchase from outside বহিঃক্ৰয় | 2,05,000 | 20,000 |
| Wages মজুৰি | 10,000 | 1,000 |
| Salaries দৰ্মহা | 3,600 | 2,400 |
| Transfer from Department–*X* *X*–বিভাগৰ পৰা হস্তান্তৰ | — | 50,000 |
| Stock 31.03.2016 সম্ভাৰ 31.03.2016 | 35,000 | 12,000 |
| Sales to outsiders বাহিৰা লোকক বিক্ৰী | 2,00,000 | 70,000 |

The entire closing stock of Department–*Y* represents goods transferred from Department–*X* at cost plus 25%. Administrative and Selling Expenses amount to ₹ 14,000 which is to be allocated between the two departments in the ratio of 6 : 1.

*Y*–বিভাগৰ সকলোখিনি অন্ত-সম্ভাৰ *X*–বিভাগৰ পৰা ক্ৰয় মূল্যৰ লগত 25% যোগ দি প্ৰেৰণ কৰা হৈছিল। প্ৰশাসনীয় আৰু বিক্ৰী ব্যয় 14,000 টকা দুয়োটা বিভাগৰ মাজত 6 : 1 অনুপাতত বিভাজন কৰিব লাগে।



( Continued )



*Or / অথবা*

(b) (i) What do you mean by inter-branch transactions? State the procedure of recording such transactions. 3+5=8

আন্তঃশাখা লেনদেন বুলিলে কি বুজা? এনেধৰণৰ লেনদেনসমূহ লিপিবদ্ধ কৰাৰ পদ্ধতিসমূহ উল্লেখ কৰা।

(ii) Distinguish between 'cash-in-transit' and 'goods-in-transit'. 6

'প্ৰেৰিত নগদ ধন' আৰু 'প্ৰেৰিত পণ্য'-ৰ মাজৰ পাৰ্থক্যসমূহ উল্লেখ কৰা।

6. (a) Explain the following items in relation to Royalty Accounts : 3+3+4+4=14

(i) Minimum rent

(ii) Shortworkings

(iii) Sub-lease

(iv) Strike and lockout



( Turn Over )

স্বত্বকৰ হিচাপৰ লগত সম্পৰ্ক থকা তলত উল্লেখ কৰা বিষয়বোৰ বৰ্ণনা কৰা :

(i) নিম্নতম খাজনা

(ii) হ্ৰস্ব-উৎপাদন

(iii) উপ-খাজনা

(iv) হৰতাল আৰু তলাবন্ধ

*Or / অথবা*

(b) Jai Prakash took lease of a coal mine from Ram Prakash at an annual dead rent of ₹ 4,000 subject to a royalty payable @ 50 paise per ton of coal extracted. Shortworkings are recoupable over the first four years of the lease.

বাৰ্ষিক ন্যূনতম 4,000 টকা খাজনাৰ ভিত্তিত টন প্ৰতি 50 পইচাকৈ স্বত্বকৰত জয়প্ৰকাশে ৰামপ্ৰকাশৰ পৰা এটা কয়লাখনি লীজত ল'লে। হ্ৰস্ব-উৎপাদন সংক্ৰান্ত খাজনা লীজৰ প্ৰথম চাৰি বছৰৰ ভিতৰতে আদায় কৰিব লাগিব।

Jai Prakash sub-leased a part of the mines to Satya Prakash at an annual dead rent of ₹ 2,000 subject to a royalty payable @ 75 paise per ton of coal extracted. The right to recoup short-workings was during the next two years following the shortworking. The output for five years were as follows :





বাৰ্ষিক ন্যূনতম খাজনা 2,000 টকাৰ ভিত্তিত টন প্ৰতি উৎপাদিত কয়লাৰ ওপৰত 75 পইচাকৈ স্বত্বকৰত জয়প্ৰকাশে খনিৰ এক অংশ সত্যপ্ৰকাশক উপস্বত্ব ভাড়া হিচাপে প্ৰদান কৰে। ঘাটিৰ পৰৱৰ্তী 2 বছৰৰ ভিতৰত হ্ৰস্ব-উৎপাদন সংক্ৰান্ত খাজনা আদায় কৰিব লাগিব। পাঁচ বছৰৰ উৎপাদন তলত উল্লেখ কৰা ধৰণৰ আছিল :

| *Year* বছৰ | *Jai Prakash* জয়প্ৰকাশ Tons (টন) | *Satya Prakash* সত্যপ্ৰকাশ Tons (টন) | *Total Output* মুঠ উৎপাদন Tons (টন) |
|---|---|---|---|
| 2011 | 4400 | 1600 | 6000 |
| 2012 | 4640 | 2160 | 6800 |
| 2013 | 5200 | 2800 | 8000 |
| 2014 | 5600 | 3600 | 9200 |
| 2015 | 7200 | 4800 | 12000 |

Prepare Royalty Payable Account, Royalty Receivable Account and Short-workings Account in the books of Jai Prakash. 5+5+4=14

জয়প্ৰকাশৰ বহীত পৰিশোধ্য স্বত্বকৰ হিচাপ, প্ৰাপ্য স্বত্বকৰ হিচাপ আৰু হ্ৰস্ব-উৎপাদন হিচাপ প্ৰস্তুত কৰা।

( Old Course )

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

1\. *(a)* Write whether the following statements are 'True' or 'False' : 1×4=4

নিম্নলিখিত বিবৃতিবিলাক 'সঁচা' নে 'মিছা' লিখা :

*(i)* Accounting principles are formulated by the Government.

হিচাপৰ নীতিসমূহ চৰকাৰে প্ৰস্তুত কৰে।

*(ii)* Hire-purchase transactions are governed by the Hire-purchase Act, 1972.

ভাড়া-ক্ৰয়ৰ লেনদেনসমূহ ভাড়া-ক্ৰয় আইন, 1972-ৰ দ্বাৰা পৰিচালিত হয়।

*(iii)* Cash sent by the branch not received by the head office by the end of the year is debited to arrear cash account.

শাখাই প্ৰেৰণ কৰা কিন্তু মুখ্য কাৰ্যালয়ে প্ৰাপ্তি নকৰা নগদ ধনখিনিক বছৰৰ শেষত বকেয়া ধনৰ হিচাপত ডেবিট কৰা হয়।

*(iv)* Royalty paid on sales is credited to Profit and Loss Account.

স্বত্বকৰ বিক্ৰীৰ ওপৰত পৰিশোধ কৰিলে লাভ-লোকচান হিচাপত ক্ৰেডিট কৰা হয়।





*(b)* Fill in the blanks : 1×4=4

খালী ঠাই পূৰণ কৰা :

*(i)* Valuation of inventories is accounted for as per Accounting Standard _____.

মজুত সম্ভাৰৰ মূল্যায়ন, হিচাপ-বিদ্যাৰ _____ নং মানক অনুযায়ী কৰা হয়।

*(ii)* Profit on repossession of goods sold on Hire-purchase System is considered as a _____ profit.

অধিগ্ৰহণ কৰা বস্তু বিক্ৰী কৰাৰ ফলত হোৱা লাভক ভাড়া-ক্ৰয় পদ্ধতিত _____ লাভ বুলি বিবেচনা কৰা হয়।

*(iii)* In Branch Accounting, each branch has separate _____.

শাখা হিচাপত প্ৰতিটো শাখাৰ পৃথক _____ থাকে।

*(iv)* On dissolution of a partnership firm, cash in hand is transferred to _____ Account.

এখন অংশীদাৰী প্ৰতিষ্ঠানৰ বিলুপ্তি সাধোতে নগদ হাতে জমা টকাখিনি _____ হিচাপত প্ৰেৰণ কৰা হয়।

**2.** Write short notes on (any *four*) : 4×4=16

চমু টোকা লিখা (যি কোনো চাৰিটা) :

*(a)* Features of Accounting Principles

হিচাপ-বিদ্যাৰ নীতিসমূহৰ বৈশিষ্ট্যসমূহ

*(b)* Termination of Hire-purchase Agreement

ভাড়া-ক্রয় বন্দবস্তৱ বাতিলকৰণ

*(c)* Inter-branch transactions

আন্তঃশাখা লেনদেনসমূহ

*(d)* Amalgamation of partnership firms

অংশীদাৰী প্ৰতিষ্ঠানসমূহৰ একত্ৰীকৰণ

*(e)* Provisions of strike and lockout in Royalty Account

স্বত্বকৰ হিচাপত হৰতাল আৰু তলাবন্ধৰ ব্যৱস্থাসমূহ

**3.** *(a)* The following is the Trial Balance of M/s Baruah and Sharma Partnership Firm as on 31st March, 2016. Prepare Trading and Profit & Loss Account for the year ended 31st March, 2016 and a Balance Sheet as on that date : 3+5+3=11





মেচাৰ্চ বৰুৱা আৰু শৰ্মাৰ অংশীদাৰী প্ৰতিষ্ঠানৰ 2016 চনৰ 31 মাৰ্চত প্ৰস্তুত কৰা মিলন বিবৃতি তলত দিয়া হ'ল। উক্ত তাৰিখত ক্ৰয়-বিক্ৰয় আৰু লাভ-ক্ষতিৰ হিচাপ প্ৰস্তুত কৰি উদ্বৃত্ত-পত্ৰ প্ৰস্তুত কৰা :

*Trial Balance / মিলন বিবৃতি*

| *Debit / ডেবিট* | ₹ (টকা) | *Credit / ক্ৰেডিট* | ₹ (টকা) |
|---|---|---|---|
| Bills Receivable<br>প্ৰাপ্য বিল | 4,000 | Bank Loan<br>বেংকৰ ঋণ | 80,000 |
| Cash in Hand<br>নগদ হাতে জমা | 4,000 | Sundry Creditors<br>বিবিধ পাওনাদাৰ | 50,000 |
| Bad Debts<br>অনুদ্ধাবণীয় ঋণ | 3,000 | Sales<br>বিক্ৰী | 4,10,600 |
| Trade Expenses<br>ব্যৱসায়ৰ খৰছ | 12,000 | Bills Payable<br>দেয় বিল | 20,000 |
| Advertisement<br>বিজ্ঞাপন | 10,000 | Capital :<br>মূলধন : | |
| Machinery<br>যন্ত্ৰপাতি | 76,000 | Baruah<br>বৰুৱা | 1,40,000 |
| Sundry Debtors<br>বিবিধ দেনাদাৰ | 70,000 | Sharma<br>শৰ্মা | 1,40,000 |
| Goodwill<br>সুনাম | 75,000 | | |
| Leasehold Premises<br>লীজগত প্ৰাংগন | 1,60,000 | | |
| Fuel<br>ইন্ধন | 20,000 | | |
| Wages<br>মজুৰি | 1,50,000 | | |

| Debit / ডেবিট | ₹ (টকা) | Credit / ক্ৰেডিট | ₹ (টকা) |
|---|---|---|---|
| Purchases<br>ক্ৰয় | 1,50,000 | | |
| Opening Stock<br>আৰম্ভণি সম্ভাৰ | 85,000 | | |
| Rent and Taxes<br>ভাড়া আৰু কৰ | 18,000 | | |
| Discount<br>বাট্টা | 3,600 | | |
| | 8,40,600 | | 8,40,600 |

*Adjustments/সমযোজনা* :

*(i)* Closing Stock ₹ 60,000

সামৰণি সম্ভাৰ 60,000 টকা

*(ii)* Machinery is to be depreciated @ 10% p.a.

মেচিনৰ অৱচয় বছৰি 10% হাৰত ধাৰ্য কৰিব লাগে

*(iii)* Provision should be made for bad debts @ 2% p.a. on sundry debtors

দেনাদাৰৰ ওপৰত বছৰি 2% হাৰত অনুদ্ধাৰণীয় ঋণ সংচিতিৰ ব্যৱস্থা কৰিব লাগে

*(iv)* Partners share the profit equally

অংশীদাৰসকলে সমহাৰত লাভ বিতৰণ কৰে





*Or / অথবা*

*(b)* Outline the need for accounting. Briefly describe the principles of accounting to be followed in preparation of Financial Statements. 5+6=11

হিচাপৰ আৱশ্যকতা বৰ্ণনা কৰা। চূড়ান্ত হিচাপসমূহ প্ৰস্তুত কৰোঁতে মানিব়লগীয়া হিচাপৰ নীতিসমূহ চমুকৈ ব্যাখ্যা কৰা।

**4.** *(a)* Mention four features of Hire-purchase System. Distinguish between Hire-purchase System and Instalment Purchase System. 5+6=11

ভাড়া-ক্ৰয় পদ্ধতিৰ চাৰিটা বৈশিষ্ট্য উল্লেখ কৰা। ভাড়া-ক্ৰয় পদ্ধতি আৰু কিস্তি-ক্ৰয় পদ্ধতিৰ মাজত থকা পাৰ্থক্যসমূহ দেখুওৱা।

*Or / অথবা*

*(b)* On 1st April, 2013, M/s Hazarika Traders purchased a car on Instalment Purchase System. The terms of the contract were as follows :

2013 চনৰ 1 এপ্ৰিল তাৰিখে মেচাৰ্চ হাজৰিকা ট্ৰেডাৰ্চে এটা গাড়ী কিস্তি-ক্ৰয় পদ্ধতিত ক্ৰয় কৰিছিল। চুক্তিৰ চৰ্তসমূহ তলত দিয়া ধৰণৰ আছিল :

*(i)* The cash price of the car was ₹ 1,20,000

গাড়ীটোৰ নগদ মূল্য আছিল 1,20,000 টকা

*(ii)* Amount payable on signing the agreement was ₹ 45,000

চুক্তিপত্ৰত স্বাক্ষৰ কৰোঁতে আদায় দিয়া হৈছিল 45,000 টকা

*(iii)* The balance of the purchase consideration was to be paid in three annual instalments of ₹ 25,000 each together with interest at 4% p.a. on the out-standing balance

দিবলৈ বাকী থকা টকা 25,000 টকীয়া তিনিটা বছৰেকীয়া কিস্তিত 4% সুতৰ সৈতে পৰিশোধ কৰা হৈছিল

*(iv)* The car was depreciated at 10% p.a. under Fixed Instalment Method

বছৰি 10% হাৰত স্থিৰ কিস্তি পদ্ধতিত গাড়ীটোৰ ওপৰত অৱচয় ধাৰ্য কৰা হৈছিল

*(v)* Accounts were closed on 31st March, each year

প্ৰত্যেক বছৰে হিচাপসমূহ 31 মাৰ্চ তাৰিখৰ দিনা বন্ধ কৰা হৈছিল





Prepare the following accounts in the books of M/s Hazarika Traders up to 31st March, 2016 : 4+4+3=11

মেচাৰ্চ হাজৰিকা ট্ৰেডাৰ্চৰ বহীত 31 মাৰ্চ, 2016 লৈকে তলত উল্লেখিত হিচাপসমূহ প্ৰস্তুত কৰা :

(1) Car's Account

গাড়ীৰ হিচাপ

(2) Vendor's Account

বিক্ৰেতাৰ হিচাপ

(3) Interest Suspense Account

সুত শংকাৰ হিচাপ

**5.** *(a)* Write the accounting treatment in Branch Account as regard to following : 3+4+4=11

শাখা হিচাপত তলত দিয়া বিষয় তিনিটাৰ হিচাপ প্ৰৱিষ্টিকৰণৰ পদ্ধতিৰ বিষয়ে লিখা :

*(i)* Cash-in-transit

গন্তব্য পথত থকা নগদ ধন

*(ii)* Goods-in-transit

গন্তব্য পথত থকা পণ্যবস্তু

*(iii)* Depreciation of branch fixed assets

শাখাৰ স্থায়ী সম্পত্তিৰ অৱচয়

*Or / অথবা*

*(b)* A Head Office at Kolkata supplies goods to its branch at Dibrugarh on cost. The branch sells the goods for cash and credit and remits the proceeds to the Head Office promptly. The branch expenses are being met by the Head Office by cheque. The following are the transactions relating to the branch for the year ended on 31st March, 2016 :

কোলকাতাৰ মুখ্য কাৰ্যালয়ে ডিব্ৰুগড়ত থকা ইয়াৰ শাখালৈ ক্ৰয় মূল্যত বস্তু পঠিয়ায়। শাখাই নগদ আৰু বাকীত বস্তু বিক্ৰী কৰি লগে লগে নগদ ধন মুখ্য কাৰ্যালয়লৈ প্ৰেৰণ কৰে। মুখ্য কাৰ্যালয়ে শাখাৰ খৰচবোৰ ধনাদেশৰ দ্বাৰা পৰিশোধ কৰে। 2016 চনৰ 31 মাৰ্চ তাৰিখে অন্ত পৰা বছৰটোৰ শাখাৰ লেনদেনবোৰ তলত দিয়া হ'ল :

| | ₹ (টকা) |
|---|---|
| Stock at branch on 01.04.2015<br>01.04.2015 তাৰিখে শাখাৰ মজুত সম্ভাৰ | 30,000 |
| Debtors at branch on 01.04.2015<br>01.04.2015 তাৰিখে শাখাৰ দেনাদাৰ | 40,000 |
| Goods sent to branch during the year<br>বছৰটোত শাখালৈ বস্তু প্ৰেৰণ কৰা হয় | 2,25,000 |
| Total sales at branch (including cash sales ₹ 1,10,000)<br>শাখাৰ মুঠ বিক্ৰী (নগদ বিক্ৰী 1,10,000 টকা সহ) | 3,70,000 |
| Goods returned by branch<br>শাখাৰ দ্বাৰা বস্তু ফিৰং | 10,000 |
| Goods returned by customers<br>গ্ৰাহকৰ দ্বাৰা বস্তু ফিৰং | 10,000 |





| | | ₹ (টকা) |
|---|---|---|
| Cash collected from debtors<br>দেনাদাৰৰ পৰা প্ৰাপ্ত হয় | | 2,10,000 |
| Discount allowed to debtors<br>দেনাদাৰক বাট্টা দিয়া হ'ল | | 10,000 |
| Bad debts written off<br>অনুদ্ধাৰণীয় ঋণ বিলোপসাধন কৰা হয় | | 5,000 |
| Cheque sent by Head Office towards branch expenses :<br>শাখাৰ খৰচৰ বাবদ মুখ্য কাৰ্যালয়ে ধনাদেশ পঠিয়ায় : | ₹ (টকা) | |
| Salaries / দৰ্মহা | 25,000 | |
| Rent / ভাড়া | 14,500 | |
| Petty Expenses / ক্ষুদ্ৰ খৰচ | 500 | 40,000 |
| Stock at branch on 31.03.2016<br>31.03.2016 তাৰিখে শাখাৰ মজুত সম্ভাৰ | | 45,000 |

Prepare Dibrugarh Branch Account and goods sent to Branch Account in Head Office books. Show Branch Debtors Account as a part of your working notes. 5+3+3=11

মুখ্য কাৰ্যালয়ৰ বহীত ডিব্ৰুগড় শাখাৰ হিচাপ আৰু শাখালৈ পঠিওৱা বস্তুৰ হিচাপ প্ৰস্তুত কৰা। শাখা দেনাদাৰৰ হিচাপ কাৰ্য টোকাৰ এটা অংশ হিচাপে তুমি প্ৰস্তুত কৰি দেখুওৱা।

**6.** *(a)* Define Royalty. Discuss its various types. Also distinguish between royalty and rent. 3+4+4=11

স্বত্বকৰৰ সংজ্ঞা দিয়া। ইয়াৰ বিভিন্ন প্ৰকাৰসমূহ বৰ্ণনা কৰা। লগতে স্বত্বকৰ আৰু ভাড়াৰ মাজত থকা প্ৰভেদসমূহ উল্লেখ কৰা।

*Or / অথবা*

(b) Meghna Coal Ltd. took a lease of coal mine for ten years on a royalty of ₹ 3 per ton of coal raised. The minimum rent was fixed at ₹ 13,000 and there was no any provision of right to recoup short-workings. The coal raised was as follows :

মেঘনা ক'ল লিমিটেডে এটা কয়লাখনি দহ বছৰৰ বাবে প্ৰতি টন উৎপাদিত কয়লাৰ 3 টকা হিচাপে লীজত ল'লে। ন্যূনতম খাজনাৰ পৰিমাণ 13,000 টকা হিচাপে ধাৰ্য কৰা হয় আৰু য'ত হ্ৰস্ব-উৎপাদন পুনৰুদ্ধাৰ কৰাৰ কোনো ধৰণৰ অধিকাৰ দিয়া হোৱা নাছিল। তলত দিয়া ধৰণে কয়লা উলিওৱা হৈছিল :

| *Year* বছৰ | *Output* (in tons) *উৎপাদন* (টনত) |
|---|---|
| 2012 | 3000 |
| 2013 | 4000 |
| 2014 | 6000 |
| 2015 | 2000 |

Pass Journal Entries in the books of Meghna Coal Ltd. 11

মেঘনা ক'ল লিমিটেডৰ বহীত জাবেদা প্ৰৱিষ্টিসমূহ লিখা।





7. (a) State and explain the decisions and rules laid down in *Garner* vs. *Murray* case. Are these rules applicable in India? 7+5=12

*গাৰ্ণাৰ* বনাম *মাৰে* মোকৰ্দমাত প্ৰযোজ্য হোৱা সিদ্ধান্ত আৰু নীতিসমূহ উল্লেখ আৰু বৰ্ণনা কৰা। এই নীতিসমূহ ভাৰতত প্ৰযোজ্যনে?

*Or / অথবা*

(b) *P* and *Q* were in partnership sharing profits or losses in the ratio of 2 : 1 respectively. They dissolved the partnership and their Balance Sheet on that date was as follows :

*P* আৰু *Q* এটা অংশীদাৰী প্ৰতিষ্ঠানৰ অংশীদাৰ আছিল আৰু লাভ অথবা লোকচান ক্ৰমে 2 : 1 অনুপাতত বণ্টন কৰিছিল। তেওঁলোকে অংশীদাৰী প্ৰতিষ্ঠানটো ভংগ কৰে আৰু সেই দিনাখন প্ৰতিষ্ঠানটোৰ উদ্বৃত্ত-পত্ৰ তলত দিয়া ধৰণৰ আছিল :

*Balance Sheet / উদ্বৃত্ত-পত্ৰ*

| *Liabilities / দেয়* | ₹ (টকা) | *Assets / সম্পত্তি* | ₹ (টকা) |
|---|---|---|---|
| Capital Accounts : মূলধনৰ হিচাপ : | | Building ভৱন | 16,000 |
| *P* | 10,000 | Inventory সম্ভাৰ | 2,500 |
| *Q* | 8,000 | | |
| Trade Creditors ব্যৱসায়িক পাওনাদাৰ | 2,000 | Cash নগদ ধন | 1,500 |
| | 20,000 | | 20,000 |

The assets realized ₹ 20,000. The creditors were paid in full. You are required to pass Journal Entries and prepare Ledger Accounts for closing the books of the partnership firm. 6+6=12

সম্পত্তিসমূহৰ পৰা 20,000 টকা প্ৰাপ্ত হয়। পাওনাদাৰ-সকলক সম্পূৰ্ণভাৱে নিষ্পত্তি কৰা হয়। অংশীদাৰী প্ৰতিষ্ঠানটোৰ হিচাপ বহীসমূহ বন্ধ কৰিব পৰাকৈ তুমি জাবেদা প্ৰৱিষ্টি লিখা আৰু খতিয়ান হিচাপসমূহ প্ৰস্তুত কৰা।

★★★